بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ    نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ    وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জু’মা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) ২০১৭ চনৰ ২৪ ফেব্রুৱাৰী তাৰিখত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

আল্লাহ তায়লা আমালোকৰ হৃদয়ৰ অৱস্থা ভালদৰে জানে সেয়ে আমালোকৰ প্ৰদৰ্শনীমুলক আমল তাৰ ওচৰত গ্ৰহনযোগ্য নহয়, সমস্যাত জৰ্জৰিত অৱস্থাৰ পৰা ওলাই অহাৰ এয়াই মাধ্যম যে আমি নিজৰ ইবাদত আৰু নিজৰ দোৱা সূচী কৰি আল্লাহ তায়লাৰ আগত নতশীৰ হওঁ আৰু ইস্তেগফাৰ, ছদকা, দান, দক্ষিণাৰ প্ৰতি মনযোগ দিওঁ।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; আজি কালি পৃথিৱীৰ যি অৱস্থা সেয়া সকলোৱে জানে। সকলো ঠাইতেই দন্ধ-বিবাদ বাঢ়ি গৈ আছে। ইছলাম বিৰুধী শক্তিবোৰে এনে অৱস্থা হোৱাৰ মূলতে মুছলমান সকলক দোষাৰোপ কৰে। এয়াও ঠিক যে কিছুমান দল আৰু সংগঠণে ইছলামৰ নামত এনেকুৱা আচৰণ কৰি আছে, যিবোৰ বৰ্বৰতাৰ বাহিৰে আন একো নহয়। আনহাতে এইবোৰৰ লগত ইছলামী শিক্ষাৰ কিন্তু বিন্দুমাত্ৰও সম্পৰ্ক নাই। প্ৰকৃততে এয়া নিশ্চিত যে এটা ষড়যন্ত্ৰ হিচাপে মুছলমান সকলৰ ভিতৰত এনে অৱস্থাৰ সৃষ্টি কৰা হৈছে। ইছলামৰ ক্ষতি সাধন কৰিবলৈ সাধাৰণতে কিছুমান স্বাৰ্থবাদী সকলে আৰু মুনাফিক সকলে চেষ্টা কৰি আছে। যিয়েই নহওক পৃথিৱীৰ অৱস্থা খুবেই বেয়া। কিছুমান মুছলমানৰ ভূল কৰ্ম পদ্ধতিৰ কাৰণে ইছলামৰ বিৰুদ্ধবাদী শক্তি সমুহক ইছলামক বদনাম কৰিবলৈ সুবিধা দি আছে। গতিকে এয়া স্পষ্ট যে আমি আহমদী সকলে ইয়াৰ বাবে তেওঁলোকৰ লক্ষ্যস্থলত পৰিণত হৈছো। হয়তো কিছুমানে জানে যে আহমদীয়তৰ শিক্ষা হ’ল প্ৰেম, ভালপোৱা আৰু ভ্ৰাতৃত্ববোধ। কিন্তু সাধাৰণ লোক সকলে ধাৰণা কৰে সেয়া যেনেদৰে মিডিয়া সকলে ইছলাম আৰু মুছলাম সকলৰ চিত্ৰ উপস্থাপন কৰি আহিছে। কিছুমান দেশৰ জাতীয় সংগঠন আৰু দলবোৰে আমালোকৰ কোনো কথা শুনিব নিবিচাৰে আৰু ইছলাম বিৰুধী চিন্তা ধাৰাৰ সৈতে সকলো কাৰ্য্যৰ ওপৰত জোৰ দিয়ে। এনে ধৰণৰ বিৰুধীতা জাৰ্মানি আৰু হলেণ্ডত বেছি হবলৈ লৈছে কাৰণ তাত নিৰ্বাচন আৰম্ভ হবলৈ লৈছে। এনেদৰে ইউৰোপ, আমেৰিকাৰ অৱস্থাও বেয়া। আহমদী সকলে কেৱল মুছলমান হোৱাৰ হেতুকেই নহয় বৰং মুছলমান দেশবোৰত আহমদী হোৱাৰ পৰিপ্ৰেক্ষিতত নিপিড়ন সহ্য কৰিব লগা হৈছে। ইয়াৰ কাৰণ মাত্ৰ ইখিনিয়ে যে আমি আল্লাহ প্ৰদত্ত আল্লাহ তায়লাৰ ফালে মাতি দিয়াজনক মানি লৈছো। পাকিস্থানৰ অত্যাচাৰী আইন প্ৰথাই মৌলবী সকলক মুকলি অনুমতি দিছে আৰু মৌলভীৰ ভয়ত আদালতে ন্যায় বিচাৰ কৰিব নোৱাৰা হৈছে। বৰ্তমানে আলজজিৰাৰ আদালতৰ অৱস্থাও নামধাৰী উলামা সকলৰ ভয়ত এনেকুৱা হৈ পৰিছে যে মিছা দোষ জাপি নিষ্পাপ আহমদী সকলক কাৰাগাৰলৈ প্ৰেৰণ কৰিছে। বৰ্তমানলৈ তাত ১৬ জন আহমদীয়ে কাৰাগাৰৰ শাস্তি ভোগী আছে। এনেকুৱা অৱস্থাত এজন আহমদীয়ে কি কৰা উচিত। আমালোকৰ হাতত নে শাসন ভাৰ আছে নে পাৰ্থিৱ ধনমাল অথবা তেল সম্পদ আছে। হয় ! এটা বস্তু আমালোকৰ হাতত আছে, যাৰ ফালে প্ৰত্যেক আহমদীয়ে বেছি-বেছি মনযোগ দিয়াৰ প্ৰয়োজন হৈ পৰিছে, সেয়া হ’ল- ইবাদত, ছদকা, ইস্তেগফাৰৰ জৰিয়তে আল্লাহ তায়লাৰ সান্নিধ্য লাভ কৰা। একমাত্ৰ এই বস্তুটোৱেই আল্লাহ তায়লাৰ আগ্ৰহ উপজাব পাৰে আৰু মানুহ আল্লাহ তায়লাৰ ছায়া তলত আহিব পাৰে। এয়াই আল্লাহ তায়লাৰ দয়া, কৃপা লাভৰ মাধ্যম। মানুহৰ মাজত অসংখ্য দুৰ্বলতা ৰৈ আছে। বেছিভাগ সময়ত আমি জাগতিক কামকাজত লিপ্ত থকাৰ কাৰণে ইবাদতৰ হ’ক আদায় নকৰো। কোনো সমস্যা আহিলে হয়তো অলপ অচৰপ ছদকা কৰা হয় নতুবা নহয়। যদি আল্লাহ তায়লাৰ কৃপা লাভৰ আশা আছে আৰু তাৰ দয়া উপজাবলৈ আৰু শত্ৰুক পৰাভূত কৰিবলৈ ইচ্ছা আছে তেন্তে আমি সেইবোৰ বিষয়লৈ মনযোগ দিব লাগিব যিবোৰ আল্লাহ তায়লাৰ সন্তুষ্টি আৰু

উপঢৌকন অৰ্জন কৰিব পৰা বিষয়। আল্লাহ তায়লা যিহেতু কৈছে যে; মই তওবা আৰু ইস্তেগফাৰ আৰু ছদকা গৃহীত কৰিলওঁ। গতিকে তুমি তওবা, ইস্তেগফাৰৰ প্ৰতি ধ্যান দিয়া যাতে তোমাৰ সমস্যা, ব্যাকুলতা দুৰ কৰি তোমাক নিজৰ সান্নিধ্য দান কৰি দিওঁ। তোমাৰ অতীতৰ গোনাহ ক্ষমা কৰি তোমাক প্ৰকৃত বান্দা হোৱাৰ সামৰ্থ্য দান কৰো আৰু তোমাৰ ওপৰত মোৰ দয়া বৰ্ষণ কৰো। আল্লাহ তায়লা কৈছে :

أَلَمْ يَعْلَمُوٓا أَنَّ اللّٰهَ هُوَ يَقْبَلُ التَّوْبَةَ عَنْ عِبَادِهٖ وَيَأْخُذُ الصَّدَقٰتِ وَأَنَّ اللّٰهَ هُوَ التَّوَّابُ الرَّحِيمُ অৰ্থাৎঃ- কিয় তেওঁলোকে নেজানে নে, যে আল্লাহ তায়লাহে তাৰ বান্দাৰ তওবা কবুল কৰে আৰু ছদকা কবুল কৰে আৰু আল্লাহ তায়লাই একমাত্ৰ তওবা কবুলকাৰী আৰু বাৰ-বাৰ কৃপাকাৰী।।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; ছদকা ছিদ্দিকৰ পৰা লোৱা হৈছে। যেতিয়া কোনোবাই খোদা তায়লাৰ বাটত ছদকা প্ৰদান কৰে তেতিয়া অনুমান হয় যে তেওঁ খোদা তায়লাৰ সৈতে বিশ্বাস ৰাখে আৰু সত্য সম্পৰ্ক ৰাখে। দোৱাৰ দ্বাৰা হৃদয়ত বেদনা, বিলীনতা, কৰুণতাৰ জন্ম হয়। দোৱাৰ মাজত আছে কোৰবাণী। বিশ্বাস আৰু দোৱা যদি ওপজে তেন্তে সেয়াই তামক সোনত পৰিনত কৰে।

গতিকে ইস্তেগফাৰও এটা দোৱা। যেতিয়া মানুহে নিজৰ গোনাহ আৰু দুৰ্বলতা সমুহ আগত ৰাখি দোৱা কৰে তেতিয়া বেদনা আৰু আবেগৰ সৃষ্টি হয়। কেৱল মুখেৰে আস্তাগফিৰুল্লাহ,আস্তাগফিৰুল্লাহ উচ্চাৰণ কৰি আল্লাহ তায়লাৰ বাহিৰে বেলেগত মনযোগ নিবদ্ধ কৰিলে উদ্দেশ্য সফল নহয়। আঁহজৰত (ছাঃ) ৰ জৰিয়তে আল্লাহ তায়লা আমালোকক সুসংবাদ দিছে যে; মোৰ বান্দা সকলক জনাই দিয়া যে; যদি মোৰ বান্দা মোৰ ফালে এখোজ আগবাঢ়ি আহে তেন্তে মই তাৰ ফালে দুখোজ আগবাঢ়ি যাওঁ, যদি মোৰ বান্দা মোৰ ফালে দ্ৰুত খোজকাঢ়ি আহে তেন্তে মই তাৰ ফালে দৌৰি আগবাঢ়ি যাও। গতিকে আল্লাহ তায়লাৰ দয়াৰ কোনো সীমা নাই।

সদায় মনত ৰাখিব লাগিব যে; আল্লাহ তায়লা আমালোকৰ হৃদয়ৰ অৱস্থা ভালদৰে জানে। সেয়া আমালোকৰ প্ৰদৰ্শনীমুলক আমল তাৰ ওচৰত গ্ৰহনযোগ্য নহয়। আল্লাহ তায়লা ইমানেই দয়ালু যে আঁহজৰত (ছাঃ) য়ে কৈছে যে; যিজনে ইমানখিনি সামৰ্থ্য নাৰাখে যে ছদকা দিব, তেন্তে নেক আমল কৰক আৰু বেয়াৰ পৰা আঁতৰত থাকক, তাক ছদকা দিয়াৰ নেকি দি দিব। গতিকে সমস্যা জৰ্জৰিত অৱস্থাৰ পৰা ওলাই অহাৰ এয়াই মাধ্যম যে আমি নিজৰ ইবাদত আৰু দোৱা সূচী কৰি আল্লাহ তায়লাৰ আগত নতশীৰ হওঁ আৰু ইস্তেগফাৰ, ছদকা, দান দক্ষিণাৰ প্ৰতি মনযোগ দিওঁ। ইস্তেগফাৰৰ মুলভাৱ বৰ্ণনা কৰিবলৈ গৈ হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে ; গোনাহ এনেকুৱা এটা বীজানু যি মানুহৰ তেজৰ সৈতে মিশ্ৰিত হৈ আছে। কিন্তু তাৰ চিকিৎসা ইস্তেগফাৰৰ দ্বাৰাই কৰিব পাৰি। ইস্তেগফাৰ কি ? ইস্তেগফাৰ হ’ল- যি গোনাহ সংগঠিত হৈছে তাৰ যি বেয়া ফলাফল তাৰ পৰা আল্লাহ তায়লা যেন নিৰাপদ ৰাখে আৰু যি গোনাহ সংগঠিত হোৱা নাই অথচ মানবীয় শক্তিত নিহিত আছে সেয়া সংগঠিত হোৱাৰ সময় যেন নাহে। ভিতৰতেই জ্বলি পুৰি যেন ছাই হৈ যায়। উল্লেখ কৰে যে এয়া বৰ ভয়ানক সময় গতিকে ইস্তেগফাৰত মছগুল থাকিবা। প্ৰত্যেক ধৰ্ম বা জাতিৰ লোক আৰু কিতাপৰ মান্যকাৰী সকলে স্বীকাৰ কৰে যে ছদকা খয়ৰাতৰ দ্বাৰা আযাব দুৰীভূত হয় কিন্তু সেয়া আযাব অহাৰ আগতেহে। আযাব অৱতীৰ্ণ হৈ গলে কিন্তু দুৰীভূত নহয়। গতিকে তুমি এতিয়াৰ পৰাই ইস্তেগফাৰ আৰু তওবা কৰি থাকা আল্লাহ তায়লা যেন তোমালোকক নিৰাপদ ৰাখে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; এতিয়া এয়া অতি সাধাৰণ সমস্যা কিন্তু যিফালে পৃথিৱী গতি কৰিছে, যিদৰে মানুহ উদাস হবলৈ আৰম্ভ কৰিছে যেনেদৰে আল্লাহ তায়লাৰ অসন্তুষ্টিৰ আছবাব তৈয়াৰ হৈ আছে যে মানুহ সেই ধংসৰ অৱলীলাৰ ফালে আগবাঢ়িবলৈ লৈছে যি মানুহৰ হাতৰ দ্বাৰাই সংগঠিত হ’ব। মানুহে আল্লাহ তায়লাৰ অসন্তুষ্টিক উদগাই আছে। গতিকে এতিয়া হজৰত মছিহ মাওউদ (আঃ) ৰ মান্যকাৰী সকলৰ কাম হ’ল যে যেতিয়া আমি ইয়াৰ বেয়া ফলাফলৰ পৰা ৰক্ষা পৰিবলৈ তওবা, ইস্তেগফাৰৰ প্ৰতি জোৰ দিম তেতিয়া পৃথিৱীৰ বাবেও দোৱা কৰিব লাগিব যে আল্লাহ তায়লা এওলোকক বিবেক দান কৰক।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; দোৱা হ’ল কৃতকাৰ্যতাৰ ঢাল। ইউনুচ (আঃ) ৰ জাতিয়ে দোৱাৰ জৰিয়তে আযাবৰ পৰা ৰক্ষা পৰিছিল। ইয়াৰ পৰা এয়া পাঠ শিকিব পৰা যায় যে কৰুণ আবেদন-নিবেদন আৰু ছদকায়

শাস্তি প্ৰাপ্তৰ শাস্তিও ৰেহাই কৰি দিয়ে। ইলমে তাবিৰুৰ ৰুইয়া কিতাপত মালৰ অৰ্থ কলিজাক সুচাইছে গতিকে খয়ৰাত (দান) কৰা প্ৰাণ দিয়া বুজায়। মানুহে দান কৰাৰ সময়ত নিজকে কিমান বিশ্বাসী আৰু দৃঢ় দেখুৱায়, আচল কথা হ'ল এয়া যে কেৱল কথাত কাম নহয় যেতিয়ালৈকে সেয়া কাৰ্যতঃ কৰি দেখুৱা নহয়। উল্লেখ কৰে যে ছদকা ইয়াক এই কাৰণেই কোৱা হয় যে বিশ্বাসী সকলোকো বিতত কৰি দিয়ে।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে; যেনেকৈ গছ আৰু শস্যত পানী নিদিলে ফল নিদিয়ে তেনেকৈ যেতিয়ালৈকে নেকিৰ পানী হৃদয়ক দিয়া নহয় তেতিয়ালৈকে হৃদয়ে মানুহৰ বাবে একোৱে কাম নিদিয়ে। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; ঘৰত নেকিৰ জিকিৰ চলি থাকিব লাগে যাতে দোৱাৰ ফালে, ইস্তেগফাৰৰ প্ৰতি মনযোগ জন্মে, নেক আমলৰ প্ৰতি মন ঢাল খায়। এয়াই হ'ল পানী যাৰ দ্বাৰা নেকিৰ পাতি পাদক গজি উঠে। ঈমান দৃঢ় হয়। আল্লাহ তায়লাৰ দয়া, কৃপা লাভৰ বাবে য'ত ইবাদত জৰুৰী তাত সকলোধৰণৰ অত্যাচাৰৰ পৰা দুৰত থকাটোও জৰুৰী আৰু লোকৰ কামলৈ অহাটোও জৰুৰী। ঘৰত জাগতিক কাম-কাজত লিপ্ত থকা সময়তো নেকিৰ বিষয়ে আলোচনা কৰি মনযোগ আকৰ্ষণ কৰাও জৰুৰী। হাঁহি ঠাট্টাৰ বৈঠক এৰাই চলা উচিত।

হজৰত মছিহ মাওউদ (আঃ) য়ে এঠাইত বৰ্ণনা কৰিছে যে; সকলো ধৰ্মই এই বিষয়ে একমত যে ছদকা, খয়ৰাত কৰিলে মুচিবত (বিপদ) দুৰীভূত হয় আৰু যদি খোদা তায়লা কোনো বিপদৰ আগজাননী দিয়ে তেন্তে সেয়া শাস্তি দিয়াৰ হে আগজাননী। গতিকে ছদকা খয়ৰাত আৰু তওবা কৰিলে আৰু খোদা তায়লাৰ পিনে ওলটিলে শাস্তি বিহাৰ আগজাননীও দুৰ হয়। গতিকে আল্লাহ তায়লা যিহেতু কৈছে যে মই ছদকা গ্ৰহন কৰি লওঁ তেন্তে এনে অৱস্থাতও আল্লাহ তায়লা এয়া কবুল কৰি লয় যাৰ বাবে তেওঁ কোনো-কোনো সময়ত নিজৰ আম্বিয়া সকলৰ জৰিয়তে জনাই দিয়ে যে এনেকুৱা হ'ব। কেতিয়াবা আযাব হোৱাৰ ভৱিষ্যত বাণীও হয়। যেনেকৈ ইউনুচ (আঃ) ৰ জাতিৰ বিষয়ে হৈছিল। তাৰ জাতিয়ে দোৱা আৰু ছদকা, কন্দা-কটাৰ জৰিয়তে ৰক্ষা পৰিছিল। গতিকে আম্বিয়া সকলৰ ভৱিষ্যতবাণী থকা সত্বেও যদি ছদকা কৰি সেয়া দুৰ কৰিব পৰা যায় তেন্তে যিবোৰ বিপদ মানুহৰ কৰ্ম ভুলত উদ্ভৱ হয় সেয়া খোদা তায়লাৰ পিনে ওলটি আহিলে, ছদকা, খয়ৰাত, ইস্তেগফাৰ, তওবা কৰিলে মানুহ কিয় ৰক্ষা নাপাব? নিশ্চয় এনে বিপদ দুৰ হ'ব চৰ্ত হ'ল আমাৰ দোৱা ইস্তেগফাৰ, তওবা আদি আল্লাহ তায়লাৰ নিৰ্দেশ অনুয়ায়ী হ'ব লাগিব। আঁহজৰত (ছাঃ) য়ে কৈছে যে; ছদকায় খোদা তায়লাৰ ক্ৰোধ শীতল কৰি দিয়ে আৰু অপমৃত্যু ৰোধ কৰে। আকৌ কৈছে যে; ছদকা প্ৰদান কৰি অগ্নিৰ পৰা ৰক্ষা পোৱা যদি আধাখিনি খেজুৰ খৰচ কৰাৰ সামৰ্থ্য আছে। গতিকে এইবোৰ কথা আমি সদায় মনত ৰাখিব লাগিব। হৃদয়ৰ পৰা নিৰ্গত হোৱা ইস্তেগফাৰে ভৱিষ্যত গোনাহৰ পৰা ৰক্ষা কৰে। আল্লাহৰ দয়াক উদগায় আৰু তাৰ সান্নিধ্য দান কৰে। আঁহজৰত (ছাঃ) য়ে কৈছে; দোৱা সেইবোৰ বিপদাৱলী, যিবোৰ উপস্থিত হৈছে আৰু যিবোৰ হোৱা নাই, সকলোৰে ক্ষেত্ৰত ফলদায়ক। উল্লেখ কৰে যে; হে আল্লাহৰ বান্দা সকল ! তোমালোকৰ বাবে এয়া বাধ্যতামুলক যে তোমালোকে দোৱা কৰা। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; মনত ৰাখিবা যে অলসতাৰ গোনাহ লজ্জিত হ'ব লগীয়া গোনাহতকৈ ডাঙৰ। এইবোৰ গোনাহ বিষাক্ত আৰু হত্যাকাৰী স্বৰূপ। তওবাকাৰী এনেকুৱা হয় যেনিবা তেওঁ কেতিয়াও গোনাহ কৰাই নাই। যিজনে সত্য তওবা আৰু ইস্তেগফাৰ কৰি অতীতৰ গোনাহৰ বাবে ক্ষমা খোজে আৰু ভৱিষ্যত গোনাহৰ পৰা আঁতৰি থকাৰ শপত লয়, তেওঁ এনেকুৱা হয় যেনিবা তেওঁ কেতিয়াও গোনাহ কৰা নাই।

আল্লাহ তায়লা আমালোকক দোৱাৰ প্ৰকৃত অৰ্থ বুজি পোৱাৰ তৌফিক দান কৰক। আমি যেন পৱিত্ৰতাৰ সৈতে আল্লাহ তায়লাৰ আগত নতশীৰ হ'ব পাৰো। ইস্তেগফাৰৰ প্ৰতি মনযোগী হৈ অতীতৰ সকলো গোনাহৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰি আল্লাহ তায়লাৰ সন্মুখত যেন নতশীৰ হৈ মুৰদোৱাব পাৰো। ভৱিষ্যতত গোনাহৰ পৰা আঁতৰি থকাৰ শপত লৈ সেয়া পুৰণ কৰাৰ যেন চেষ্টা কৰিব পাৰো। বিপদাৱলী দুৰীকৰণাৰ্থে এনেকুৱা ছদকা যেন দিব পাৰো যি খোদা তায়লাৰ ওচৰত গৃহীত হয়। আল্লাহ তায়লা আমালোকক সদায় তাৰ আশ্ৰয়ত স্থান দিয়ক। শত্ৰু আৰু বিৰুদ্ধবাদী সকলৰ প্ৰত্যেক আক্ৰমনৰ পৰা আমালোকক নিৰাপদ ৰাখক। সিহঁতৰ আক্ৰমন সিহঁতৰ ওপৰত ওলটি যাওঁক। আমি সদায় খোদা তায়লাৰ সেই বান্দা সকলৰ মাজত যেন গণ্য হওঁ যি সকলে আল্লাহ তায়লাৰ ভয় হৃদয়ত ৰাখে। আমি যেন আঁহজৰত (ছাঃ) আৰু হজৰত মছিহ মাওউদ (আঃ) ৰ দোৱাৰ অংশীদাৰ হওঁ।

হুযুৰ আনোৱাৰ (আইঃ) য়ে; নমাজে জুমাৰ পিছত ছৈয়েদা বৰতাৰি চাহিবাৰ নমাজে জানাজা পঢ়াৰ ঘোষণা কৰে। তাই মৰী বৰতাৰি চাহাবৰ পত্নী আছিল। কোশ আৰৰ দামাস্কাচত তাই ইহলীলা সম্ভৰণ কৰে। ইন্নালিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন।

☆ ☆ ☆ ☆

**Assamess Khulasa Khutba Jumma Huzoor Anwar 24 February 2017**

**BOOK POST (PRINTED MATTER)**

**To**

_______________________________

_______________________________

_______________________________

From: Ahmadiyya Circle Office, Abhayapuri M.G.Road W/N- IV Bongaigaon Assam 783384. # 9864337890